# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 07**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::::::::::::::::::::::::::::**

১। অসম, কেৰলম আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পুডুচেৰীত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ আজি সন্ধিয়া সামৰণি পৰিব।

২। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণন আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী সদস্যসকলে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক অপসাৰণৰ বাবে অনা প্ৰস্তাব নাকচ কৰিছে।

৩। দিল্লী বিধানসভাৰ নিৰাপত্তা ভংগৰ অপৰাধত তিনিগৰাকী ব্যক্তিক দিল্লী আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

৪। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে নিৰ্ধাৰিত সময়সীমাৰ পূৰ্বে ইৰানক হৰমুজ প্ৰণালী মুকলি কৰি দিয়া বাবে সকীয়াই দিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ'ব।

০০০০

অসম, কেৰলম আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পুডুচেৰীত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ আজি সন্ধিয়া পাঁচ বজাত সামৰণি পৰিব। আজি প্ৰচাৰৰ সামৰণিৰ দিনা বিভিন্ন দলৰ উচ্চ পৰ্যায়ৰ নেতাসকলে নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলাই ভোটাৰক আকৰ্ষণৰ চেষ্টা চলাব। অসমৰ ১২৬ খন আসন, কেৰলমৰ ১৪০ আৰু পুডুচেৰীৰ ৩০ খন আসনৰ বাবে অহা বৃহস্পতিবাৰে এটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অসমৰ তিনিটা স্থানত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আগবেলা বৰপেটা ৰোডত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। সভাত দিয়া ভাষণত তেওঁ দেশক বিকশিত আৰু আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত অসমত শান্তি আৰু উন্নয়নৰ পৰিৱেশে বিৰাজ কৰিছে। এই দশকটোত জনসাধাৰণে নিৰাপত্তাহীনতা পৰিবেশৰ পৰা সকাহ লাভ কৰিছে বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে কালি হোজাই আৰু ডিব্ৰুগড়তো দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আজি নিৰ্বাচনী প্ৰচাৰৰ সামৰণিৰ দিনা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে বৰাকত তিনিখন নিৰ্বাচনী সভাত অংশ ল'ব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি বৰাকৰ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। সভাত দিয়া ভাষণত শ্ৰীখাৰ্গেই শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ কাম-কাজৰ সমালোচনা কৰে। জিলাখনৰ বৰখলা বিধানসভা সমষ্টিৰ দলুত আয়োজিত নিৰ্বাচনী জনসভাত শ্ৰীখাৰ্গেৰ সৈতে জিতেন্দ্ৰ সিঙো উপস্থিত থাকে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী কুমাৰী ছেলজাই কালি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি কংগ্ৰেছ দলে সকলো শ্ৰেণীৰ মানুহৰ ন্যায় আৰু সমতাৰ অধিকাৰৰ বাবে যুঁজি অহা বুলি প্ৰকাশ কৰে। অসমত অন্যান্য আঞ্চলিক দলসমূহ বিশেষকৈ অসম গণ পৰিষদ, অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও নিজৰ নিজৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ অভিযান চলায়।

পুডুচেৰীত কালি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ৰেলী আৰু জনসভাত অংশগ্ৰহণ কৰে। জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহ, কংগ্ৰেছৰ ৰাহুল গান্ধী আৰু ডি এম কেৰ নেতা তথা তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে কালি নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলায়।

কেৰলমতো কালি ৰাজনৈতিক দলসমূহৰ জ্যেষ্ঠ নেতাসকলে ৰেলী, জনসভা আৰু ৰোড শ্ব'ৰ জৰিয়তে ৰাজ্যখনত হ'বলগীয়া নিৰ্বাচনৰ বাবে ব্যাপক  নিৰ্বাচনী প্ৰচাৰ চলায়।

তামিলনাডু আৰু পশ্চিমবংগত প্ৰথম পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ মনোনয়নসমূহ আজি পৰীক্ষা কৰা হ'ব। দুয়োখন ৰাজ্যতে কালি মনোনয়ন পত্ৰ জমা দিয়াৰ অন্তিম দিন আছিল। প্ৰাৰ্থীসকলে বৃহস্পতিবাৰ পৰ্যন্ত নিজৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব।

তামিলনাডুৰ ২৩৪ খন আসনৰ লগতে পশ্চিমবংগত হ'বলগীয়া নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ১৫২ খন আসনৰ বাবে অহা ২৩ এপ্ৰিলত ভোটগ্ৰহণ হ'ব। পশ্চিমবংগত ১৪২ খন আসনৰ বাবে দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ২৯ মাৰ্চত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে অসম, কেৰলম, তামিলনাডু, পশ্চিমবংগ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পুডুচেৰীৰ বাবে অহা ৪ মে'ত ভোটগণনা অনুষ্ঠিত হ'ব।০০০

০০০০

ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণন আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী সদস্যসকলে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক অপসাৰণৰ বাবে অনা প্ৰস্তাৱ নাকচ কৰিছে।

ৰাজ্যসভাৰ সচিবালয় আৰু লোকসভাৰ সচিবালয়ে পৃথকে পৃথকে জনোৱা মতে বিৰোধীৰ প্ৰস্তাৱৰ সকলো বিষয় চালিজাৰি চোৱাৰ পাছত এই প্ৰস্তাৱৰ জাননী নাকচ কৰা হৈছে।

ইয়াৰ পূৰ্বে বিৰোধীয়ে লোকসভা আৰু ৰাজ্যসভা দুয়োখনতে জাননী দাখিল কৰি জ্ঞানেশ কুমাৰক পক্ষপাতমূলক দৃষ্টিভংগীৰ অভিযোগ উত্থাপন কৰি মুখ্য নিৰ্বাচন আয়ুক্তৰ পদৰ পৰা অপসাৰণৰ প্ৰস্তাৱ আগবঢ়াইছিল।

০০০০

দিল্লী বিধানসভাৰ নিৰাপত্তা ভংগৰ অপৰাধত তিনিজন ব্যক্তিক দিল্লী আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। বিবৃতিযোগে আৰক্ষী উপ আয়ুক্তগৰাকীয়ে সদৰী কৰা মতে হত্যাৰ চেষ্টা, অপৰাধ সংঘটিতৰ পৰিকল্পনা, চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে অপৰাধমূলক বল প্ৰয়োগ, আৰু ৰাজহুৱা সম্পত্তিৰ ক্ষতি প্ৰতিৰোধ আইনৰ কেবাটাও ধাৰাৰ অধীনত দিল্লীৰ চিভিল লাইন থানাত তিনিওৰে বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। বগা ৰঙৰ এখন টাটা ছিয়েৰা বাহনেৰে কালি এজন ব্যক্তিয়ে দিল্লী বিধানসভাৰ চৌহদত বেৰিকেড ভাঙি বলপূৰ্বকভাৱে প্ৰৱেশ কৰিছিল। দিল্লী আৰক্ষীয়ে অভিযান চলাই ৰূপ নগৰ অঞ্চলত বাহনখন জব্দ কৰিবলৈ সক্ষম

হয়। আটকাধীন ব্যক্তিজন উত্তৰ প্ৰদেশৰ পিলিভিতৰ বাসিন্দা ৩৭ বছৰীয়া সৰবজিৎ সিং বুলি চিনাক্ত কৰা হৈছে। তেঁওৰ সৈতে আন দুজন ব্যক্তিকো আটক কৰা হৈছে।

০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সকীয়াই দিছে যে যদিহে তেহৰানে চুক্তি কৰিব নোৱাৰে আৰু নিৰ্ধাৰিত সময়সীমাৰ পূৰ্বে হৰমুজ প্ৰণালী পুনৰ মুকলি নকৰে তেন্তে এৰাতিৰ ভিতৰতে ইৰাণক ধ্বংস কৰি দিয়া হ'ব। কাইলৈ ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ০৫ বজাত হৰমুজ প্ৰণালীৰে যাতায়ত সূচল কৰিবলৈ ৰাষ্ট্ৰপতি ট্ৰাম্পে ইৰাণৰ পৰা এটা গ্ৰহণযোগ্য প্ৰস্তাৱ লাভৰ সময়সীমা নিৰ্ধাৰণ কৰি দিছে। হোয়াইট হাউছত সংবাদমেল সম্বোধন কৰি ৰাষ্ট্ৰপতি ট্ৰাম্পে কয় যে হৰমুজ প্ৰণালী মুকলি নকৰিলে আমেৰিকাই ইৰাণৰ শক্তি আৰু পৰিবহণ ব্যৱস্থাত আঘাত হানিব। তেওঁ সকীয়াই দিয়ে যে কোনো চুক্তি নহ'লে ইৰাণৰ আন্তঃগাঁথনি ক্ষিপ্ৰতাৰে ধ্বংস হ'ব পাৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ইৰাণৰ একাংশ নেতাই সদিচ্ছাৰে আলোচনা কৰা যেন লাগে যদিও পৰিস্থিতি এতিয়াও অনিশ্চিত। তেঁও লগতে কয় যে ইৰাণে যুদ্ধবিৰতিৰ বাবে আমেৰিকাৰ প্ৰস্তাৱ নাকচ কৰিছে আৰু ইয়াৰ পৰিৱৰ্তে শত্ৰুতা শেষ হোৱা আৰু নিষেধাজ্ঞাশমূহ বাতিল হোৱাটো বিচাৰিছে। ইৰাণৰ সৈতে সংঘাতত সহায় নকৰাৰ বাবে প্ৰশান্ত মহাসাগৰীয় মিত্ৰ দেশসমূহ বিশেষকৈ নাটো দেশসমূহক ৰাষ্ট্ৰপতি ট্ৰাম্পে তীব্ৰ সমালোচনা কৰি কয় যে বিশ্বৰ তেল যোগানৰ বাবে গুৰুত্বপূৰ্ণ হৰমুজ জলদ্বীপ পুনৰ মুকলি কৰাৰ বাবে আমেৰিকাৰ সামৰিক প্ৰচেষ্টাক সমৰ্থন কৰিবলৈ বহু মিত্ৰ দেশে অস্বীকাৰ কৰিছে। ট্ৰাম্পে হতাশা প্ৰকাশ কৰে যে এই দেশসমূহে এই আক্ৰমণাত্মক অভিযানত যোগদান কৰিবলৈ অনিচ্ছুক যদিও পূৰ্বতে আমেৰিকাই তেঁওলোকক সমৰ্থন কৰিছিল। উল্লেখযোগ্য যে দক্ষিণ ইৰাণত পৰাস্ত হোৱা F15 যুঁজাৰু বিমানৰ দুজন ক্ৰু মেম্বাৰক আমেৰিকান বাহিনীয়ে সফলতাৰে উদ্ধাৰ কৰাৰ কিছুদিন পিছতে ৰাষ্ট্ৰপতি ট্ৰাম্পে আমেৰিকাৰ যুদ্ধ সচিব পিট হেগছেথৰ সৈতে সংবাদমেল সম্বোধন কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগীতাত কালি নিশা কলকাতাৰ ইডেন গাৰ্ডেনচত কলকাতা নাইট ৰাইডাৰ্ছ আৰু পঞ্জাব কিংছৰ মাজত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে আধাতে সামৰিবলগীয়া হয়। টছত জয়ী হোৱাৰ পিছত প্ৰথমে বেট ধৰা কলকাতা নাইট ৰাইডাৰ্ছে বৰষুণ অহাৰ পূৰ্বে মাত্ৰ ৩ অভাৰ আৰু ৪টা বলত দুটা উইকেট হেৰুৱাই ২৫ ৰান সংগ্ৰহ কৰে। পঞ্জাব কিংছৰ পেচাৰ জেভিয়াৰ বাৰ্টলেটে দ্বিতীয় অভাৰত বহিঃৰাজ্যৰ তাৰকা

খেলুৱৈ ফিন এলেন আৰু কেমেৰন গ্ৰীণক আউট কৰে। প্ৰতিকুল বতৰৰ পৰিপ্ৰেক্ষিতত কোনো ফলাফল নোলোৱাত দুয়োটা দলক এটাকৈ পইণ্ট ভগাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অজিংক্য ৰাহানে নেতৃত্বাধীন কলকাতা নাইট ৰাইডাৰ্ছৰ বাবে এইটোৱেই প্ৰথম পইণ্ট হোৱাৰ বিপৰীতে শ্ৰেয়াছ আয়াৰ নেতৃত্বাধীন পঞ্জাব কিংছে পইণ্ট তালিকাৰ শীৰ্ষত অৱস্থানেৰে দুখনত জয় আৰু এখনত অমিমাংসিত ফলাফলৰ সৈতে বৰ্তমানলৈ অপৰাজিত হৈ আছে। আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছে খেলিব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব। ৰাজস্থান ৰয়েলছ বৰ্তমান পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে মুম্বাই ইণ্ডিয়ানছ ষষ্ঠ স্থানত আছে। ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু দ্বিতীয় স্থানত আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ